জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬০/২০২০

**মাজুলীৰ তিনিখন বিদ্যালয়ৰ খেল পথাৰ উন্নীতকৰণৰ অনুদানৰ আবন্টন পত্ৰ প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে**

## সমন্বিত জনজাতি উন্নয়ন প্ৰকল্পৰ অধীনত হিতাধিকাৰীসকলৰ মাজত পাৰাৰ টিলাৰ, টিনপাত আৰু সৌৰ চাকি বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসম অলিম্পিক সন্থাৰ জৰিয়তে গ্ৰাম্য পৰ্যায়ত অলিম্পিক আয়োজনৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ আগষ্ট ঃ** মাজুলীৰ ক্ৰীড়াখণ্ডক এক নতুন গতি প্ৰদানেৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ‘মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা’ৰ অধীনত মাজুলীৰ মধ্য ইংৰাজী পাৰিজাত উচ্চমাধ্যমিক বিদ্যালয়, ৰতনপুৰ মিৰি উচ্চমাধ্যমিক বিদ্যালয় আৰু চেলেক জনজাতি উচ্চমাধ্যমিক বিদ্যালয়ৰ খেল পথাৰৰ উন্নয়নৰ আধাৰশিলা স্থাপন কৰে। এই খেলপথাৰ কেইখনৰ বাবে ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে প্ৰত্যকলৈ আগবঢ়োৱা ২০ লাখ টকা অনুদানৰ আৱন্টন পত্ৰ আজি শিক্ষানুষ্ঠান কেইখনৰ কৰ্তৃপক্ষক মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। তদুপৰি একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে সমন্বিত জনজাতি উন্নয়ন প্ৰকল্পৰ অধীনত  জিলাখনৰ হিতাধিকাৰীসকলৰ মাজত পাৰাৰ টিলাৰ, টিনপাত আৰু সৌৰ চাকি বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে।

মধ্য মাজুলী পাৰিজাত উচ্চমাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়াৰ জৰিয়তে সমাজখনক আগুৱাই নিব লাগিব। সমাজ উন্নয়নৰ দিশত ক্ৰীড়াৰ সাৰ্বজনীন ভূমিকা আছে। আমাৰ উঠি অহা প্ৰজন্মক ক্ৰীড়াৰ দ্বাৰা আদৰ্শ নাগৰিক হিচাপে গঢ়ি তুলিব লাগিব। যুৱ বিকাশ মিছনৰ অধীনত ৰাজ্য চৰকাৰে ৫০০ খন খেলপথাৰ উন্নীতকৰণৰ সিদ্ধান্ত লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ অধীনত মাজুলী জিলাৰ ৯ খন বিদ্যালয়লৈ খেল পথাৰ উন্নীতকৰণৰ বাবে ইতিমধ্যে অনুদান আগবঢ়োৱা হৈছে।

ক্ৰীড়াৰ জৰিয়তে প্ৰতিযোগিতামুখী মানসিকতাৰ সূচনা হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা, সংস্কৃতি ইত্যাদি সকলো ক্ষেত্ৰৰ উত্তৰণৰ বাবে প্ৰতিযোগিতামুখী মানসিকতাৰ অতিশয় প্ৰয়োজন। মুখ্যমন্ত্ৰীয়ে কয় যে অসম অলিম্পিক সন্থাৰ জৰিয়তে গ্ৰাম্য পৰ্যায়ত অলিম্পিক আয়োজনৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। গ্ৰাম্য পৰ্যায়ত অলিম্পিক আয়োজনৰ জৰিয়তে গ্ৰাম্যাঞ্চলত থকা সুপ্ত ক্ৰীড়া প্ৰতিভা সমূহ চিনাক্তকৰণেৰে উন্নত প্ৰশিক্ষণৰ ব্যৱস্থা লোৱা হ’ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়াবিদ সৃষ্টি কৰাই ৰাজ্য চৰকাৰৰ মূল্য লক্ষ্য বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে মাজুলীত বহু ক্ৰীড়া প্ৰতিভা আছে। এই ক্ৰীড়া প্ৰতিভাসমূহক  আবিষ্কাৰ কৰা আৰু ক্ৰীড়াৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে।

আজিৰ এই অনুষ্ঠানত বিধায়ক বিমল বৰা, ৰাজ্যিক পৰ্যায়ৰ ক্ৰীড়া আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, দুলীয়াজান নুমলীগড় পাইপলাইন নিগমৰ অধ্যক্ষ ৰূপম গোস্বামী, ক্ৰীড়া সঞ্চালক ধৰ্মকান্ত মিলি, অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**ৰাঃবঃ / বঃভাঃ / পুঃডেঃ**

**২১/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in